# জীৱনৰ এটা দিন: এজন ত্ৰাণকৰ্মীৰ

ৰঞ্জিত দলে

*অসমৰ নদী-দ্বীপ মাজুলীত, মিচিং জনগোষ্ঠীৰ এজন ব্যক্তিয়ে কোভিড-19 ৰ দ্বাৰা উদ্‌ভূত সমস্যা সমূহ আৰু আফ্ৰিকান চোৱাইন ফিভাৰ তথা চাৰিটাকৈ বানপানীৰ ফলত সৃষ্টি হোৱা প্ৰত্যাহ্বানক নেউচি তেওঁৰ সম্প্ৰদয়ক সহায় কৰি আহিছে।*

মোৰ নাম ৰঞ্জিত দলে আৰু মই ‘আয়ং ট্ৰাষ্ট’ ত কৰ্মৰত, যি অসমৰ মাজুলী জিলাৰ এটি বেচৰকাৰী সংস্থা আৰু যিয়ে শিক্ষা, স্বাস্থ্যসেৱা আৰু জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত প্ৰান্তিক জনগোষ্ঠীৰ লগত কাম কৰে। ‘আয়ং’, মিচিং ভাষাত ‘প্ৰেম’ৰ অনুবাদক, 2017 চনত গড়মূৰত স্থাপন কৰা হৈছিল।

মাজুলী পৃথিৱীৰ বৃহত্তম নদী-দ্বীপ আৰু ই ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ কিছুমান উপনৈৰ দ্বাৰা চাৰিওফালৰ পৰা আৱৰি আছে। ইয়াৰ অনন্য অৱস্থানটোৱেই এই দ্বীপটোৰ অস্তিত্বৰ ভাবুকি স্বৰূপ হৈ পৰিছে।

বিগত 50 বছৰ ধৰি প্ৰতি বছৰে হোৱা বানপানী তথা বনাঞ্চল ধ্বংসৰ ফলত দ্বীপটো তাৰ আকাৰৰ আধাতকৈ কম আয়তনৰ হৈ পৰিছে।

এই বছৰ কোভিড-19 আৰু আফ্ৰিকান চোৱাইন ফিভাৰ(ASF) ৰ প্ৰাদুৰ্ভাৱৰ লগতে বাৰ্ষিক প্ৰলয়ে বিভিন্ন প্ৰান্তিক উপজাতি তথা মাজুলীৰ সংখ্যাগৰিষ্ঠ জনগোষ্ঠী, যিসকলৰ প্ৰধান আয়ৰ উৎস কৃষি আৰু গাহৰি পালনৰ ওপৰত নিৰ্ভৰশীল, তেওঁলোকৰ জীৱিকাৰ ওপৰত এক এক বিপৰ্যকৰ প্ৰভাৱ পেলাইছে।

কোভিড-19 ৰ প্ৰাদুৰ্ভাৱৰ আগত, আমি, আয়ং-যে চৰকাৰী বিদ্যালয় সমূহৰ লগত সহযোগিতা কৰি সমগ্ৰ জিলাতে শিশুসকলৰ গুণগত শিক্ষা প্ৰদানৰ ওপৰত মনোনিবেশ কৰিছিলোঁ। কিন্তু বিদ্যালয় সমূহ বন্ধ হৈ যোৱাৰ লগে লগে আমি এতিয়া সম্প্ৰদায়টোক এই বিপদৰ পৰা উদ্ধাৰ কৰাত মনোনিবেশ কৰিছোঁ। এই কাৰ্যাৱলী সমূহৰ ভিতৰত হ'ল অত্যাৱশ্যকীয় সামগ্ৰী প্ৰদান যেনে- চাউল, মিঠাতেল, ফলমূল বা শৌচাগাৰ নিৰ্মাণৰ লগতে আক্ৰান্ত গাঁও সমূহৰ পৰা জনসংখ্যাৰ তথ্য সংগ্ৰহ তথা প্ৰয়োজনত ব্যক্তি সকলক উপশম দিয়াৰ পৰিকল্পনা কৰা।

**ৰাতিপুৱা 6 বজা:** আগদিনা সন্ধিয়া প্ৰস্তুত কৰি থোৱা দৈনিক কাৰ্যসূচীৰ পৰ্যালোচনা কৰি আমি দিনটোৰ আৰম্ভণি কৰোঁ। মাজুলীৰ আটাইতকৈ অধিক ক্ষতিগ্ৰস্ত হোৱা অঞ্চলসমূহ পৰিদৰ্শন কৰাটো আজিকালি আমাৰ কাৰ্যসূচীৰ বেছিভাগ ক্ষেত্ৰত অন্তৰ্ভুক্ত। যিদিনা আমাৰ অঞ্চল পৰিদৰ্শনৰ কাৰ্যসূচী থাকে, সিদিনা আমি ন জন সদস্যই পৰিদৰ্শন সম্পৰ্কে আলোচনা কৰিবলৈ কাৰ্যালয়ত উপস্থিত হওঁ। আজি আমি শালমৰা পৰিদৰ্শন কৰিম, যিটো গড়মূৰস্থিত আমাৰ কাৰ্য্যালয়ৰ পৰা 25 কিলোমিটাৰ নিলগত দ্বীপটোৰ উত্তৰ-পূব দিশত অৱস্থিত। জিলাখনৰ সৰ্বাধিক প্ৰভাৱিত গাওঁসমূহৰ ভিতৰত অন্যতম হ'ল শালমৰা। সাহায্য সামগ্ৰী আৰু প্ৰয়োজনীয় বস্তুবোৰ সজ্জিত কৰি আমি মটৰ চাইকেলেৰে যাত্ৰা আৰম্ভ কৰোঁ।

**ৰাতিপুৱা 7 বজা:** সাধাৰণতে শালমৰা গৈ পাওঁতে আধা ঘন্টা সময় লাগে, কিন্তু বানপানীৰ কাৰণে আমাৰ এক ঘন্টা লাগিল। তাত উপস্থিত হৈ গাওঁবুঢ়াক লগ কৰি গাঁওবাসীৰ জীৱন-যাপন সম্পৰ্কে আৰু গাঁৱৰ জনসংখ্যাৰ সমস্যা সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰো। যদি গাওঁবুঢ়াক লগ পোৱা নাযায়, তেতিয়াহলে আমি পঞ্চায়ত ওৱাৰ্ড সদস্য নাইবা স্থানীয় স্বীকৃত স্বাস্থ্যকৰ্মী (ASHA) ৰ অনুসন্ধান কৰোঁ। গাওঁবুঢ়াৰ সৈতে কথা পাতি গম পালোঁ যে শালমৰাত যথেষ্ঠ সংখ্যক কুমাৰ ব্যৱসায়ী আছে, যিসকলে দীৰ্ঘকালীন কোভিড-19 লক ডাউন আৰু বানপানীৰ কাৰণে বজাৰত তেওঁলোকৰ পণ্য সামগ্ৰী বিক্ৰী কৰাৰ ক্ষেত্ৰত যথেষ্ঠ সংগ্ৰাম কৰিবলগীয়া হৈছে। শালমৰা হ'ল অসমৰ বৃহত্তম কুমাৰ ব্যৱসায়ী গাঁওবোৰৰ ভিতৰত অন্যতম এখন আৰু তেওঁলোকে কুমাৰৰ চক্ৰৰ ব্যৱহাৰ নকৰাকৈ সম্পূৰ্ণৰূপে হস্তশিল্পৰে সামগ্ৰী প্ৰস্তুত কৰে।

লগতে আমি গম পালোঁ যে বানপানীৰ ফলত গাঁওখনত বিশুদ্ধ খোৱা পানীৰ অভাৱে দেখা দিছে। যদিও প্ৰত্যেক ঘৰতে দমকলৰ ব্যৱস্থা আছে, কিন্তু বিশেষকৈ বানপানীৰ সময়ত দমকলৰ পৰা অপৰিচ্ছন্ন পানী খোৱাটো নিৰাপদ নহয়। এই সমস্যাটোৰ পৰা পৰিত্ৰাণ পাবলৈ চৰকাৰে কিছুমান পাউদাৰ সৰবৰাহ কৰিছে যিয়ে পানী বিশুদ্ধ কৰাত সহায় কৰে।

**ৰাতিপুৱা 10 বজা:** গাঁৱৰ এটি সৰু ভোজনালয়ত ৰাতিপূৱাৰ আহাৰৰ কাৰণে আমি বিৰতি লওঁ আৰু গাওঁবুঢ়াৰ লগত আলোচনাৰ মাধ্যমেৰে আমি যিবোৰ সমস্যাৰ কথা গম পালোঁ তাৰ এটা পৰ্য্যালোচনা ডাঙি ধৰো। তাৰ পিছত আমি কিছু কুমাৰ আৰু অন্যান্য স্থানীয় বাসিন্দাৰ লগত তেওঁলোকৰ পৰিস্থিতিৰ বুজ লবলৈ তথা চাউল, মিঠাতেল ইত্যাদি কিছু প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰাৰ সিদ্ধান্ত লওঁ।

**দুপৰীয়া 1 বজা:** প্ৰয়োজনীয় তথ্য সংগ্ৰহ তথা সাহায্য সামগ্ৰী বিতৰণ কৰাৰ পিছত আমি কাৰ্যালয়লৈ ওভতি আহোঁ।

**আবেলি 2 বজা:** কাৰ্যালয়ত উপস্থিত হৈ আমি সংগ্ৰহ কৰি অনা তথ্য সমূহ অধ্যয়ন কৰি শালমৰা গাঁৱৰ জনসংখ্যাক দৰিদ্ৰ সীমাৰেখা তল (BPL) ৰ ব্যক্তি আৰু চৰকাৰী চাকৰিয়াল সকলক শ্ৰেণীবদ্ধ কৰি লওঁ। ইয়াৰ পিছত আমি আলোচনা কৰো যে কি প্ৰকাৰে প্ৰয়োজনীয় ব্যক্তি সকলক সহায় কৰিব পৰা যায়। যেতিয়া আমি গম পাও যে গাঁওবাসী সকলে সন্মুখীন হোৱা হোৱা সমস্যা সমূহ আমাৰ দক্ষতাৰ বা ক্ষমতাৰ বাহিৰত, তেতিয়া ইয়াক গাঁও উন্নয়ন কমিটিৰ সদস্যৰ দৰে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰলৈ লৈ যোৱাৰ সিদ্ধান্ত লওঁ।

আমি সংগ্ৰহ কৰি অনা তথ্য সমূহ সাধাৰণতে এই কৰ্তৃপক্ষ সকলৰ লগত আলোচনা কৰোঁ যাতে তেওঁলোকৰ এই বিষয় সমূহৰ ওপৰত এটা স্পষ্ট ধাৰণা হয় আৰু সমস্যা সমূহ সমাধান কৰিব পাৰে। গাঁওবাসী তথা গাঁও উন্নয়ন কমিটিৰ সদস্য সকলক উৰ্দ্ধতম কৰ্তৃপক্ষলৈ আবেদন লিখাত তথা তেওঁলোকৰ কোনো নিৰ্দিষ্ট সমস্যাৰ কাৰণে সঠিক ব্যক্তিক যোগাযোগ কৰাৰ ক্ষেত্ৰত পথ-প্ৰদৰ্শক হিচাবে আমি কাম কৰোঁ। উদাহৰণ স্বৰূপে, যদি কোনো নিৰ্দিষ্ট সমস্যা জিলা উপায়ুক্তৰ অধীনত থাকে তেন্তে আমি তেওঁলোকক জিলা উপায়ুক্তলৈ আবেদন লিখাত সহায় কৰোঁ।

**আবেলি 4.30 বজা:** যেতিয়া আমি দিনটোৰ কাম শেষ কৰি পৰৱৰ্তী দিনৰ কাৰ্যসূচী প্ৰস্তুত কৰিবলৈ লওঁ, ঠিক সেই সময়ত শুনিবলৈ পালো যে ওচৰৰ এঘৰত জুই লাগিছে। আমি তৎক্ষণাত দৌৰি গৈ ঘটনাস্থলীত উপস্থিত হৈ চাওঁ যে গাঁওবাসীয়ে পৰিয়ালটোক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে যদিও ঘৰটো সম্পূৰ্ণৰূপে ধাৰাশায়ী কৰি দিয়া হৈছে। ঘৰটোৰ ওচৰতে থকা ফচলবোৰ জুইয়ে গ্ৰাস কৰাৰ আগতে জুই নোমোৱাবলৈ আমি স্থানীয় বাসিন্দা সকলক সহায় কৰোঁ।

**সন্ধিয়া 7:00 বজা:** জুইটো নিয়ন্ত্ৰণলৈ অহাৰ পিছত কাৰ্যালয়লৈ ওভতি আহি কিদৰে পৰিয়ালটোক সহায় কৰিব পাৰোঁ তাক লৈ আমি আলোচনাত মিলিত হওঁ। আমি সিদ্ধান্ত লওঁ যে তেওঁলোকক কিছু বস্ত্ৰ প্ৰদান কৰিম লগতে টিনপাত যোগান ধৰিম, যাতে তেওঁলোকে এখন নতুনকৈ ঘৰ সাঁজি লব পাৰে।

**সন্ধিয়া 8:00 বজা:** দিনটোৰ অন্তত আমি পৰৱৰ্তী দিনৰ কাৰ্যসূচী প্ৰস্তুত কৰোঁ।

মই সদায় মোৰ সম্প্ৰদায়টোক সহায় কৰিবৰ সুযোগ বিচাৰি আছিলো আৰু 'আয়ং'য়ে মোক এই সুযোগ দিছিল। যদিও কোভিড-19, আফ্ৰিকান চোৱাইন ফিভাৰ আৰু বানপানীৰ সোঁতে আমাৰ কাৰ্য্যক প্ৰত্যাহ্বান জনাইছিল, তথাপি কিন্তু আমাৰ উদ্যম হ্ৰাস কৰিব পৰা নাছিল।

*‘আই ডি আৰ’ক কোৱাৰ দৰে ।*

## লেখকৰ বিষয়ে

### ৰঞ্জিত দলে

ৰঞ্জিত দলে অসমৰ মাজুলী জিলাৰ প্ৰান্তিক জনগোষ্ঠীৰ হকে কাম কৰি অহা এটি বেচৰকাৰী সংস্থা "আয়ং ট্ৰাষ্ট" ৰ সদস্য উপদেষ্টা। তেখেত "দ্যা হামিংবাৰ্ড" স্কুলৰ প্ৰতিষ্ঠাতা সদস্য, যিয়ে সুবিধা-বঞ্চিত পৰিয়ালৰ পৰা অহা শিশু সকলক শিক্ষা প্ৰদান কৰে। 'আয়ং' ৰ সংস্পৰ্শলৈ অহাৰ আগতে তেখেত এবিয়ন পাব্লিক স্কুলৰ এজন সহকাৰী শিক্ষক আছিল।